**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-------------------------------

১। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কাৰ্যসূচী।

২। আন্তঃগাঁথনিমূলক প্ৰকল্পসমূহে ৰাজ্যখনৰ সকলো শ্ৰেণীৰ লোকক উপকৃত কৰি বিকাশৰ গতি ত্বৰান্বিত কৰিব বুলি প্ৰধানমন্ত্ৰীৰ প্ৰকাশ।

৩। আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলাত প্ৰিজাইডিং আৰু পুলিং বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ সম্পন্ন।

৪। অসমৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে খিতাপ অৰ্জনেৰে মায়ংক চক্ৰৱৰ্তীৰ ইতিহাস ৰচনা।

**আৰু**

৫। এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে শিলচৰৰ অম্বিকাপুৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰিব।

কালি প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীৰ কোকৰাঝাৰ ভ্ৰমণ বাতিল হোৱাত তেওঁ গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত কয়, যে এই প্ৰকল্পসমূহৰ জৰিয়তে বিটিচিৰ জনসাধাৰণে বিভিন্ন সুবিধা লাভ কৰাৰ উপৰি এই খণ্ডৰ পৰ্যটন আৰু বাণিজ্যৰো বিকাশ হ'ব। তদুপৰি উন্নত যোগাযোগ ব্যৱস্থাৰ ফলত কৃষকসকলৰ উৎপাদিত সামগ্ৰীসমূহে বৃহৎ বজাৰ লাভত সহায়ক হ'ব।

**বাইট (পি এম)-১**

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত গুৱাহাটীৰ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন্য এটা কাৰ্যসূচীত অংশ লৈ ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয়সাপেক্ষ নুমলীগড়-শিলিগুৰি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰে। তেওঁ লগতে নুমলীগড় শোধনাগাৰ

লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া ৰে'লৱে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত নিমাতী ঘাট আৰু বিশ্বনাথ ঘাটত আধুনিক জাহাজ টাৰ্মিনেল নিৰ্মাণৰ কাম আৰম্ভ হৈছে বুলি উল্লেখ কৰি কয়, যে চৰকাৰে অসমৰ পৰ্যটন খণ্ডক কেৱল দৰ্শনৰ স্থান হিচাপে গঢ়ি তোলাই নহয় বৰঞ্চ নিয়োগ আৰু বিকাশৰ পথ হিচাপেও বিবেচনা কৰিছে। তেওঁ এয়া কেৱল এটা আন্তঃগাঁথনি প্ৰকল্পই নহয় বৰঞ্চ অসমৰ পৰ্যটন আৰু স্থানীয় অৰ্থব্যৱস্থাক নতুন গতি প্ৰদানৰ পদক্ষেপ বুলি মন্তব্য কৰে।

**বাইট (পি এম)-২**

প্ৰধানমন্ত্ৰী মোদীয়ে এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তিৰ প্ৰায় ১৮ হাজাৰ ৬০০ কোটি টকা মুকলি কৰে। ইয়াৰ জৰিয়তে দেশৰ ৯ কোটি ৩২ লাখ লোক উপকৃত হ'ব। অসমৰো ১৮ লাখ ৫৯ হাজাৰ কৃষক এই আঁচনিৰ দ্বাৰা উপকৃত হ'ব। ২২ সংখ্যক কিস্তিৰ অধীনত ৰাজ্যখনৰ কৃষকসকলৰ বাবে ৩৭৯ কোটি টকা মোকলাই দিয়া হৈছে। তেওঁ লগতে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে।

০০০০০০

ডিব্ৰুগড় জিলাত চলি থকা প্ৰিজাইডিং আৰু পুলিং বিষয়াসকলৰ প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ কাইলৈ সামৰণি পৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচী জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ গৃহ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ জাগ্ৰীতি গৃহ, আউনীআটী শাখা সত্ৰ প্ৰেক্ষাগৃহ, কানৈ বাণিজ্য মহাবিদ্যালয় আৰু জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীত ই ভি এম আৰু ভি ভি পেট মকড্ৰিলৰ সহায়ত ভোটগ্ৰহণ কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ কাম-কাজ নিয়াৰিকৈ চলাই নিয়াৰ বাবে মাজুলীৰ ৰঙাচাহী মহাবিদ্যালয়ত কালি প্ৰিজাইডিং আৰু ছেক্টৰ বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। প্ৰশিক্ষণত ইভিএম আৰু ভিভিপেটৰ ব্যৱহাৰিক দিশ সন্দৰ্ভত সবিশেষ জনোৱা হয়। তদুপৰি নিৰ্বাচনী প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকাভাৱে নিৰীক্ষণৰ উদ্দেশ্যে প্ৰ' এপৰ ব্যৱহাৰৰ বিষয়েও বিষয়াসকলক অৱগত কৰোৱা হয়। জিলা নিৰ্বাচনী বিষয়াৰ নেতৃত্বত ১৭ গৰাকী মূল প্ৰশিক্ষকে এই প্ৰশিক্ষণ কাৰ্যসূচীৰ পৰিচালনা কৰে। প্ৰশিক্ষণত ২০২ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ২৭ গৰাকী ছেক্টৰ বিষয়াই অংশগ্ৰহণ কৰে।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে শ্ৰীভূমিৰ জিলা আয়ুক্তই নিৰ্বাচনৰ কাম সম্পূৰ্ণ নোহোৱালৈকে চৰকাৰী কাৰ্যালয়সমূহ দেওবাৰ আৰু অন্যান্য ছুটীৰ দিনতো খোলা ৰাখিবলৈ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বন্ধ তথা ছুটীৰ দিনত প্ৰতিটো কাৰ্যালয়ত অন্ততঃ এজন অফিচ সহায়ক আৰু এজন এম টি এছ বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী উপস্থিত থাকিব লাগিব। জিলাখনৰ বেংকসমূহো দেওবাৰ বা অন্যান্য ছুটীৰ দিনত খোলা ৰখাৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ সময়ত প্ৰয়োজনীয় কামসমূহ সুকলমে সম্পন্ন হোৱাৰ উদ্দশ্যৰে এই নিৰ্দেশনা জাৰি কৰা হৈছে আৰু ইয়াৰ অমান্য কৰিলে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০

বাক্সা জিলাত ৰন্ধন গেছৰ কোনো ধৰণৰ নাটনি হোৱা নাই বুলি জিলাখনৰ নৱনিযুক্তি আয়ুক্ত ধীৰাজ খাউদে প্ৰকাশ কৰিছে। শেহতীয়াকৈ মধ্য প্ৰাচ্যত চলি থকা যুদ্ধৰ পৰিপ্ৰেক্ষিততেই ৰন্ধন গেছৰ নাটনি হোৱা বুলি এচাম লোকে সামাজিক মাধ্যত উৰা বাতৰি বিয়পোৱাৰ বিষয়টো প্ৰশাসনৰ দৃষ্টিগোচৰ হৈছে বুলি মন্তব্য কৰি জিলা আয়ুক্তগৰাকীয়ে এইদৰে কয়-

(ৰাইট)

গেছ এজেন্সিসমূহে যাতে কৃত্রিম নাটনিৰ সৃষ্টি কৰি মূল্যবৃদ্ধি কৰিব নোৱাৰে তাৰ বাবে সচেতন হৈ থাকিবলৈ জিলা আয়ুক্তগৰাকীয়ে সকলোৰে প্ৰতি আহ্বান জনায়। ইয়াৰ লগতে বাণিজ্যিক প্ৰতিষ্ঠানত যাতে ঘৰুৱা ৰন্ধন গেছ ব্যৱহাৰ কৰা নহয়, তাৰ প্ৰতিও চোকা দৃষ্টি ৰাখিবলৈ যোগান বিভাগক নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০০০০

টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ অঞ্চলৰ অৰ্থনৈতিক উন্নয়ন আৰু উদ্যোগীক বিকাশৰ দিশত গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে। আইনক্স ছ'লাৰ লিমিটেড নামৰ প্ৰতিষ্ঠানৰ জৰিয়তে টিংখাঙত সৌৰ শক্তি সম্পৰ্কীয় উদ্যোগ স্থাপনৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই এটা বৃহৎ প্ৰকল্পত অনুমোদন জনাইছিল আৰু প্ৰতিষ্ঠানটোৱে ছ'লাৰ পিভি মডিউল নিৰ্মাণৰ বাবে আধুনিক উদ্যোগ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰতিষ্ঠানটোৰ বিষয়ববীয়া সকলে কালি এই উদ্যোগ স্থাপনৰ প্ৰাৰম্ভিক দিশ সন্দৰ্ভত পৰ্যালোচনা কৰে। এই উদ্যোগৰ জৰিয়তে ৰাজ্যখনৰ যুৱক-যুৱতীসকলে প্ৰত্যক্ষ আৰু পৰোক্ষ নিয়োগৰ সুবিধা লাভ কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **বায়ু প্ৰদূষণজনিত বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ** শীৰ্ষক আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ জলবায়ু পৰিৱৰ্তন আৰু মানৱ স্বাস্থ্য বিষয়ক ৰাষ্ট্ৰীয় কাৰ্যসূচীৰ ন'ডেল বিষয়া **ডাঃ কনক চন্দ্ৰ তালুকদাৰ** আৰু প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ অসমৰ মুখ্য পৰিৱেশ বিজ্ঞানী **গৌতম কৃষ্ণ মিশ্ৰ** উপস্থিত থাকিব। আলোচনাৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই।

০০০০০০

ভাৰত ৰত্ন সন্মানেৰে বিভূষিত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষ উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ বিশেষ সংগীতানুষ্ঠানৰ আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সহযোগত হ'বলগীয়া **লুইতৰ পৰা মিছিছিপিলৈ** শীৰ্ষক এই সংগীতানুষ্ঠান গধূলি ৬ বজাত আৰম্ভ হ'ব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত হ'বলগীয়া এই অনুষ্ঠানত ৰাজ্যৰ ভালেসংখ্যক প্ৰবীন আৰু নবীন শিল্পীয়ে গীত পৰিৱেশন কৰিব।

০০০০০০

কাছাৰ আৰক্ষীয়ে মাদক দ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই কালি বুজন পৰিমাণৰ হেৰ'ইন আৰু য়াবা টেবলেট জব্দ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে চলোৱা দুটা পৃথক অভিযানত মুঠ ১৩ কোটি টকাৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে দুজন লোকক আটক কৰিছে। সৰবৰাহকাৰীয়ে ১১৯টা চাবোনৰ বাকচত প্ৰায় ডেৰ কিলোগ্ৰাম হেৰ'ইন আৰু ১৯ হাজাৰ ৮০০টা য়াবা টেবলেটৰ সৰবৰাহৰ চেষ্টা কৰিছিল। এই সংক্ৰান্তত আৰক্ষীয়ে ধৃত লোক দুজনক সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজানত কালি দুলীয়াজান ক্লাবত **বিকশিত অসম, সমৃদ্ধিশালী ভাৰতৰ** কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিধায়ক তেৰচ গোৱালাই অংশগ্ৰহণ কৰে। বিধায়ক শ্ৰী গোৱালাই সমষ্টিটোৰ অন্তৰ্গত ১৫০ খন উপাসনা স্থলীলৈ অসম দৰ্শন আঁচনিৰ চেক বিকতৰণ কৰে।

০০০০০০

যুৱ সংগমৰ ষষ্ঠ পৰ্যায়ৰ বাবে পঞ্জীয়ন আৰম্ভ হৈছে। **এক ভাৰত শ্ৰেষ্ঠ ভাৰত** কাৰ্যসূচীৰ অধীনত আয়োজন কৰা এই পদক্ষেপত অংশগ্ৰহণৰ বাবে শিক্ষা মন্ত্ৰালয়ে সমগ্ৰ দেশৰ যুৱচামক আমন্ত্ৰণ জনাইছে। অহা ১৮ মাৰ্চ

পঞ্জীয়নৰ অন্তিম দিন। আগ্ৰহীসকলে ebsb.aicte-india.org ৱেবছাইটৰ জৰিয়তে পঞ্জীয়ন কৰিব পাৰিব। এই কাৰ্যসূচীয়ে যুৱ অংশগ্ৰহণকাৰী সকলক বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চল ভ্ৰমণৰ জৰিয়তে দেশৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা আৰু উদ্ভাৱন পৰিস্থিতি তন্ত্ৰৰ অভিজ্ঞতা লাভ সুযোগ প্ৰদান কৰিব।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰক'টীয়াৰ বিধায়ক তৰংগ গগৈয়ে কালি বিধায়ক পুঁজিৰ ৩৩ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ২৯ টা পথৰ গ্ৰেভেলিঙৰ আধাৰশিলা স্থাপন কৰে। এই আটাইকেইটা পথৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে স্থানীয় ৰাইজৰ যাতায়াত আৰু জীৱন ধাৰণৰ মান অধিক উন্নত হ'ব বুলি বিধায়কগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

অসমৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে খিতাপ অৰ্জনেৰে মায়ংক চক্ৰৱৰ্তীয়ে ইতিহাস ৰচনা কৰিছে। ছুইডেনত অনুষ্ঠিত অষ্টম গ্ৰেণ্ড মাষ্টাৰ প্ৰতিযোগিতাত খিতাপ জয় কৰি মায়ংক দেশৰ ৯৪ সংখ্যক গ্ৰেণ্ড মাষ্টাৰ হিচাপে বিবেচিত হৈছে। প্ৰতিযোগিতাৰ ফাইনেল ৰাউণ্ডত শীৰ্ষ স্থানৰ খেলুৱৈক পৰাভূত কৰাৰ উপৰি মায়ংকে গ্ৰেণ্ড মাষ্টাৰ হ'বৰ বাবে প্ৰয়োজনীয় ২৫০০ ফিডে ৰেটিঙৰ সীমা অতিক্ৰম কৰে। এই সাফল্যৰ জৰিয়তে মায়ংক চক্ৰৱৰ্তী অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী গ্ৰেণ্ড মাষ্টাৰ হিচাপে পৰিগণিত হৈছে।

০০০০০০

এফ আই এইচ হকী মহিলা বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত আজি ভাৰত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত কালি হায়দৰাবাদৰ বালাযোগী হকী গ্ৰাউণ্ডত অনুষ্ঠিত ছেমি ফাইনেলত ইটালীক ১-০ গ'লত পৰাস্ত কৰি ভাৰতে ফাইনেলত প্ৰৱেশ কৰে। ইয়াৰ লগে লগে হকী বিশ্বকাপত ভাৰতৰ অংশগ্ৰহণ নিশ্চিত হৈ পৰে। ভাৰতৰ মনীষা চৌহানে খেলখনৰ ৪০ মিনিটত একমাত্ৰ গ'ল দি দলক জয়ৰ সোৱাদ দিয়ে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে ঠায়ে ঠায়ে মজলীয়াৰ পৰা ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। এই সময়ছোৱাত ৰাজ্যখনৰ কোনো কোনো অঞ্চলত বিজুলী, ঢেৰেকনিৰে বৰষুণ হোৱাৰ লগতে ধুমুহা বলাৰো আশংকা আছে। ইপিনে কালি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীতো বৰষুণৰ ফলত কোনো কোনো ঠাইত কৃত্ৰিম বানৰ সৃষ্টি হয়। কৃত্ৰিম বানৰ ফলত মহানগৰীৰ ৰুক্মিণী গাঁও, কাহিলিপাৰা, জটিয়া, দক্ষিণগাঁও, বেলতলা চাৰ্ভে আদি পথত যাতায়াত ব্যাহত হোৱাৰ বাতৰি পোৱা গৈছে।

অহা ২৪ ঘণ্টাত গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল আৰু অসমত ঠাই বিশেষে প্ৰবল বৰষুণ হ'ব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**